# অভিজ্ঞতাবাদ
## (Empiricism)

অভিজ্ঞতাবাদৰ জন্মদাতা হল জন লক (John Locke)। লকে ডেকাৰ্টৰ অন্তৰ্জাত ধাৰণাৰ তীব্ৰ সমালোচনা কৰি তেওঁৰ মতবাদ সাব্যস্ত কৰে। সাৰ্বজনিক ভাবে আমি কোনো অন্তৰ্জাত ধাৰণা নাপাওঁ। শিশু, মুৰ্খ, পাগল, অশিক্ষিত আদি মানুহৰ মনত অন্তৰ্জাত ধাৰণাবোৰ দেখা পোৱা নাযায়। এনেবোৰ মানুহৰ মনত কাৰণতা, অসীমতা, অনন্ততা আদি জ্ঞান নাথাকে। সেয়েহে অন্তৰ্জাত

প্ৰত্যয় সম্ভৱ নহয়। ইয়াৰোপৰি ঈশ্বৰ, নৈতিকতা, সামান্যতা আদি সম্পৰ্কে ধাৰণা বোৰ সময়, দেশ, সমাজ বিশেষে বেলেগ বেলেগ হয়। আনহাতে কিছুমান ধাৰণা সৰ্বজন গৃহীত হলেও সেইবোৰ অন্তৰ্জাত নহয়। যেনে 'জুইয়ে পুৰে' ই সৰ্বজন গৃহীত হলেও, অন্তৰ্জাত নহয়। যেনে- 'কাৰ্য কাৰণ' ধাৰণা সকলোৰে মনত থাকে, ই অভিজ্ঞতাৰ পৰাহে আহৰণ কৰা জ্ঞানৰ পৰা পোৱা যায়। লকৰ মতে ইন্দ্ৰিয়ত নথকা কোনো কথাই পূৰ্বতে বুদ্ধিত থাকিব নোৱাৰে (There is nothing in the intellect which was not previously in the senses)। মনে ইন্দ্ৰিয়ৰ মাধ্যমেৰে সংবেদন সমূহ সংগ্ৰহ কৰি চিন্তাৰ সহায়ত জ্ঞান প্ৰতিষ্ঠা কৰে।

লকৰ মতে জন্মৰ সময়ত আমাৰ মন এখিলা উকা কাগজৰ দৰে। (Tabula Rasa) বাহ্যিক বস্তুৰ লগত ইন্দ্ৰিয় সংবেদন হলেই এই উকা মনটোত বস্তুৰ ছাপ পৰে আৰু এই সংবেদনবোৰৰ সমষ্টিয়েই জ্ঞান। লকে ডেকাৰ্টৰ অৰ্ন্তজাত ধাৰণাৰ তীব্ৰ সমালোচনা কৰি কৈছে যে জ্ঞানৰ উৎপত্তি অভিজ্ঞতাৰ পৰা পোৱা যায়।

তেওঁৰ মতে অভিজ্ঞতাৰ দুটা দিশ (১) ইন্দ্ৰিয় সংবেদন (Sensation) (২) চিন্তন (reflection)। সংবেদনে আমাক বাহ্যিক জগত সম্পৰ্কে জ্ঞান দিয়ে আৰু চিন্তনে আমাৰ মানসিক অৱস্থা সম্পৰ্কে জ্ঞান দিয়ে। ইন্দ্ৰিয় সংবেদন নোহোৱাকৈ মনে চিন্তা কৰিব নোৱাৰে। প্ৰথমতে মনে নিস্ক্ৰিয় ভাবে ইন্দ্ৰিয় সংবেদন সমূহ গ্ৰহণ কৰে আৰু পিছত সক্ৰিয় হৈ চিন্তা কৰি সংবেদন সমূহক গ্ৰহণ কৰে। ইন্দ্ৰিয় সংবেদনে বাহ্যিক বস্তু সম্বন্ধে ছাপ মনত জন্মায়। এই ছাপবোৰকে লকে ধাৰণা বা প্ৰতীক (idea) বুলি কৈছে। এই ধাৰণাবোৰৰ মাজত থকা মিল বা অমিল (agreement or disagreement) যেতিয়া মনে চিন্তা কৰি প্ৰত্যক্ষ কৰে তেতিয়াই জ্ঞানৰ উৎপত্তি হয়। যেনে- 'চেনি আৰু মিঠা। এই প্ৰত্যয় দুটাক মিলাই কোৱা হয় যে 'চেনি মিঠা'। আচলতে মিঠা, টেঙা আদি স্বাদবোৰ অভিজ্ঞতাৰ দ্বাৰাই পোৱা যায়। সেইবোৰ অভিজ্ঞতাপূৰ্ব নহয়। এটা শিশু যেতিয়া ডাঙৰ হয় তেতিয়াহে তাৰ মনত অভিজ্ঞতাৰে প্ৰত্যয় মনলৈ আহে। এতেকে প্ৰত্যয় বা ভাব লকৰ মতে অভিজ্ঞতাৰ ফল। মনে ইন্দ্ৰিয় সংবেদন সংগ্ৰহ কৰে আৰু সামান্যকৰণৰ সহায়ত বিশেষৰ পৰা সাধাৰণ

তথ্যলৈ আগবাঢ়ে। প্ৰত্যক্ষৰ সহায়ত আমি গুণবোৰহে পাওঁ কিন্তু দ্ৰব্য নাপাওঁ। গুণৰ আধাৰ ৰূপে লকে দ্ৰব্য মানি লৈছে। লকে আত্মাৰ অস্তিত্ব, ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰিছে।

## অভিজ্ঞতাবাদৰ সমালোচনা
## (Criticism of Empiricism)

লকৰ অভিজ্ঞতাবাদ সমালোচনাৰ উৰ্ধত নহয়। লকৰ মতে প্ৰথমতে ধাৰণাবোৰ সংগ্ৰহ কৰাৰ সময়ত মনে নিস্ক্ৰিয় হৈ থাকে। কিন্তু নিস্ক্ৰিয় মনে কেনেকৈ সংবেদন লাভ কৰে. মনে সক্ৰিয় ভাবেই সংবেদন লাভ কৰে।

লকৰ মতে বস্তুৰ ধাৰণাহে আমি পাওঁ। বাৰ্কলিয়ে এই মতৰ তীব্ৰ সমালোচনা কৰি কয় যে যি বস্তুৰ কোনো প্ৰত্যক্ষ প্ৰমাণ নাই তাৰ অস্তিত্ব মানি লব নোৱাৰি।

লকৰ মতে আমাৰ ধাৰণাৰ লগত যদি বাহ্যিক বস্তুৰ মিল থাকে তেন্তে আমাৰ ধাৰণা সত্য আৰু যদি মিল নাই তেন্তে আমাৰ ধাৰণা অসত্য। কিন্তু বাস্তৱক্ষেত্ৰত ইয়াৰ সত্যতা নাই. কাৰণ মানুহ, জীৱ জন্তু সকলোৱেই অভিজ্ঞতাৰ পৰাই জ্ঞান আহৰণ কৰে। কিন্তু মানুহ যিহেতু বুদ্ধি-বৃত্তি সম্পন্ন জীৱ গতিকে চিন্তা কৰাটো মানুহৰ সহজাত প্ৰবৃত্তি। বুদ্ধিৰ শ্ৰেষ্ঠতা কেতিয়াওঁ আমি অস্বীকাৰ কৰিব নোৱাৰো। কিন্তু অভিজ্ঞতাবাদী সকলে জ্ঞানৰ ক্ষেত্ৰত বুদ্ধিক যথাৰ্থ স্থান দিয়া নাই। জ্ঞানৰ ক্ষেত্ৰত অভিজ্ঞতা আৰু বুদ্ধি দুয়োটাৰেই প্ৰয়োজন। সেয়েহে জ্ঞানৰ নিশ্চয়তা মানি, লোৱাৰ বাবে বুদ্ধিৰ আশ্ৰয় লোৱাটো অত্যন্ত দৰকাৰী।